# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ২৪ জুলাই তাৰিখত মছজিদ মোবাৰক ইছলামাদ (বৃটেইনত ) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়াহদাহু লাশ্বাৰিকালাহু ওয়া আশ্বহাদু আন্না মুহাম্মাদান আবদুহু ওয়া ৰাছুলুহু - আম্মা বাদু ফাউজুবিল্লাহ হিমিনা শ্বায়তানিৰ ৰাজিম - বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম - আলহামদু লিল্লাহি ৰাববিল আলামিন-আৰ ৰাহমানিৰ ৰাহিম- মালিকি ইয়াও মিদ্দিন - ইয়াকানা বুদু ওয়া ইয়া কানাছ তাঈন- ইহদিনা ছিৰাতাল মুছতাকিম ছিৰাতাল্লাজিনা আন-আমতা আলায়হিম গায়ৰিল মাগজুবি আলায়হিম ওয়ালাজ্জালিন।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - জুমাৰ খোতবাত হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ)ৰ জীৱনী সম্পৰ্কে বৰ্ণনা চলি আছে। হজৰত ছাআদ আবি উকাচ (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ লগত বদৰৰ যুদ্ধ, অহুদ, খন্দক,হুদায়বিয়াহ খয়বৰ, মক্কা বিজয়, আদিকৰি সকলো সমৰ ভূমিত যোগদান কৰিছিল। এখেত (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ বাছনি কৰা দক্ষ তীৰ আন্দাজী সকলৰ মাজত এজন আছিল। হজৰত ছাদ বিন আবি উকাচ (ৰাঃ)য়ে সেই প্ৰথম জন ব্যক্তি আছিল যিজনে আল্লাহৰ বাটত শত্ৰু নিধন কৰিছিল আৰু এইজনেই আছিল প্ৰথমজন ব্যক্তি, যিজনে সৰ্বপ্ৰথম আল্লাহৰ দ্বীন ৰক্ষাৰ্থে তীৰ নিক্ষেপ কৰিছিল। হজৰত উবায়দাহ বিন হাৰছাৰ নেতৃত্বত যোৱা দলত প্ৰথম এই ঘটনা সংগঠিত হৈছিল।

দ্বিতীয় হিজৰিৰ জমাদিউল আউয়াল মাহত হজৰত ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ)ক আঠজন মুহাজেৰিনৰ এটা দলৰ আমিৰ নিযুক্ত কৰি কুৰাইছ সকলৰ পৰিকল্পনা সম্পৰ্কে খবৰ লববৈে খিৰাৰ নামক ঠাইলৈ পঠাই দিছিল। এনেদৰে হজৰত ছাআদ (ৰাঃ)য়ে হজৰত আব্দুল্লাহ বিন জুহাশৰ নেতৃত্বত যোৱা দলৰ লগতও অংশ গ্ৰহন কৰিছিল।

হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ)ৰ বীৰত্ব সম্পৰ্কে উল্লেখ আছে যে বদৰৰ ৰণ ভুমিত হজৰত ছাআদ (ৰাঃ) পদাতিক হোৱা সত্ত্বেও আৰোহী সকলৰ দৰেই বীৰদৰ্পে ৰণ ভুমিত নিজৰ অস্ত্ৰৰ চাক-চিক্য প্ৰদৰ্শন কৰি প্ৰাণটোক যুঁজিছিল। যাৰ ফলত হজৰত ছাআদ বিন উকাচ (ৰাঃ)ক ফাৰাছুল ইছলাম বুলি কোৱা হৈছিল। অৰ্থ্যাৎ ইছলামৰ আৰোহী বাদছাহ। বিখ্যাত অহুদৰ ৰণ ভুমিত হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ)সেই নগণ্য কেইজনমান লোকৰ সৈতে আছিল, যি সকলে হতাশা গ্ৰস্থ কঠিন বিপদজ্জনক মুহুৰ্তত ৰছুলুল্লাহ (ছাঃ)ক বেষ্টন কৰি বীৰদৰ্পে শত্ৰুক প্ৰতিৰোধ কৰিছিল। কিন্তু এই অহুদৰ ৰণ ভুমিতেই হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ)ৰ ভাই উতবা বিন আবি উকাচে (এইজনে মুশৰিক সকলৰ ফালে যোগ দি যুদ্বত নামিছিল। সুযোগ বুজি তিব্ৰ আক্ৰমণ চলাই আহি হজৰত আকদছ মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ তলৰ পাৰিৰ দুটা দন্ত শ্বহীদ (ভাঙি) কৰি দিছিল। যাৰ ফলত ৰছুলুল্লাহ (ছাঃ)ৰ মুখ মোবাৰক বৰকৈ আঘাত প্ৰাপ্ত হৈছিল। উতবা বিন আবি উকাচৰ ভাই হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ)মুছলমানৰ ফালৰ পৰা যুদ্ধ কৰিছিল। যেতিয়া এখেত (ৰাঃ)য়ে উতবাৰ এই দুস্কাৰ্য্যৰ কথা গম পাইছিল তেতিয়া কৰুণ আবেগে এখেত (ৰাঃ)ৰ হিয়া প্ৰতিশোধৰ দাবানলত দগ্ধ হববৈে হৈছিল। এখেত (ৰাঃ)য়ে কৈছিল যে কৈছিল যে মই মোৰ ভায়েকক হত্যা কৰিববৈে এনেকুৱা ব্যাকুল হৈ পৰিছিলো যে সম্ভৱত আগতে এনেকুৱা ব্যাকুলতা কোনো বিষয়েই মোৰ অন্তৰত কেতিয়াও উপজা নাছিল। মই দুবাৰকৈ শত্ৰু শাৰী ভেদ কৰি সেই অত্যাচাৰীক বিচাৰি গৈছিলো যে তাক মই নিজ হাতেৰে টুকুৰা -টুকুৰ কৰি হৃদয়খন জুৰ পেলাম কিন্তু উতবা মোক দেখা মাত্ৰেই এনেদৰে আনফালে ফালৰি কাটি গৈছিল যে যেনেকৈ পহুৰে চিকাৰীৰ আক্ৰমণত পলাই সাৰে। অৱশেষত যেতিয়া মই তৃতীয় বাৰে আকৌ উতবাৰ ফালে চোঁচা লৈছিলো তেতিয়া আঁহজৰত (ছাঃ)য়ে মৰম উজাৰি মোক কৈছিল যে - হে বান্দাহে খোদা ! তোৰ কিবা প্ৰাণ বিৰ্সজন দিয়াৰ ইচ্ছা আছে নেকি ? গতিকে তেতিয়া মই হুজুৰ (ছাঃ)ৰ বাধা প্ৰদানত থমকি ৰৈ সেই সিদ্ধান্ত এৰিছিলো।

আঁহজৰত (ছাঃ)য়ে ৰণ ভুমিত হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ)ক পিছৰ পৰা তীৰ হাতত তুলি দিছিল আৰু ছাআদে সেয়া শত্ৰুৰ ওপৰত নিক্ষেপ কৰি গৈছিল। এবাৰ ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত ছাআদক কৈছিল যে তোমাৰ ওপৰত মোৰ মা, বাপ উচ্ছৰ্গিত হওঁক, তুমি ধাৰাসাৰে তীৰ চলাই যোৱা। হজৰত ছাআদ বিন আবি উকাচে নিজৰ শেষ বয়সলৈ আঁহজৰত (ছাঃ)ৰ এই বাক্যখিনি স্বগৌৰবে বৰ্ণনা কৰি থাকিছিল।

অহুদৰ ৰণ ভুমিত এজন ভয়ানক শত্ৰু আছিল, যাৰ নাম আছিল হাবান। এওঁৰ চলোৱা এটা তীৰ হজৰত উম্মে ইয়ামিনৰ আঁচলত গৈ লাগিছিল। তেতিয়া উম্মে ইয়ামিনে আহত যুদ্ধা সকলক পানী পান কৰোৱাই আছিল। সেই তীৰ লগাত হাবানে হাহিঁবলৈ লৈছিল। ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত ছাআদক হাবানলৈ চলোৱাৰ বাবে এটা তীৰ হাতত তুমি দিছিল। ছাআদৰ নিক্ষেপিত সেই তীৰ গৈ হাবানৰ গলধনত লাগিছিল আৰু তেওঁ পিছফালে ওলটি পৰিছিল, যাৰ ফলত তেওঁ নঙঠা হৈ গৈছিল। এই অৱস্থা চাই ৰছুলুল্লাহ (ছাঃ)য়ে মিচিকিয়াইছিল। নবী কৰিম (ছাঃ)ৰ এই আনন্দ আল্লাহ তায়ালাৰ সেই দয়াৰ ওপৰত আছিল যে আল্লাহ তায়ালা এজন বিপদজ্জনক শত্ৰুক এনেকুৱা এটা তীৰেৰে আঁতৰ কৰি দিছিল যি তীৰৰ ফলেই নাছিল। এটা ৰোৱায়েতত উল্লেখ আছে যে অহুদৰ যুদ্ধৰ দিনা হজৰত ছাআদে এক হাজাৰ তীৰ নিক্ষেপ কৰিছিল।

হুদায়বিয়াৰ সন্ধিৰ সময়ত সন্ধি পত্ৰত যি সকল চাহাবায় সাক্ষী হিচাপে স্বাক্ষৰ কৰিছিল, সেই সকলৰ ভিতৰত হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ)য়েও চামিল আছিল। মক্কা বিজয়ৰ সময়ত হজৰত হজৰত ছাআদ বিন আমি উকাচৰ হাতত মুহাজেৰিণ সকলৰ তিনি পতাকাৰ এটা পতাকা তুমি দিয়া হৈছিল। বিদায় হজ্বৰ সময়ত ছাআদৰ বৰ টান অসুখ হৈছিল। এই বিষয়ে উল্লেখ কৰোঁতে হজৰত ছাআদে বৰ্ণনা কৰিছে যে - মই মক্কাত গৈ টান নৰিয়াত পৰিছিলো আৰু মৰো মৰো অৱস্থা হৈ গৈছিল। ৰছুলুল্লাহ (ছাঃ)য়ে মোক দেখিবলৈ আহিছিল, তেতিয়া মই আবেদন কৰিছিলো - ইয়া ৰছুলুল্লাহ মোৰ ওচৰত বহুত ধন-সম্পত্তি আছে আৰু মোৰ একমাত্ৰ জীয়েক জনীয়ে তাৰ উত্তাধিকাৰী, গতিকে মই এই সম্পত্তিৰ তিনি ভাগৰ দুই অংশ ছদকা হিচাপে দিব পাৰিমনে? তেখেত (ছাঃ)য়ে কৈছিল নহয়, তেনেকৈ নোৱাৰা। মই আকৌ কৈছিলো তেন্তে আধা সম্পত্তি ছদকা কৰিব পাৰিমনে? তেখেত (ছাঃ)য়ে কৈছিল নহয়, তেনেকৈ নোৱাৰা। মই আকৌ কৈছিলো সুধিছিলো তেন্তে তিনি ভাগৰ এভাগ ছদকা কৰিব পাৰিমনে? আঁহজৰত (ছাঃ)য়ে কৈছিল - ঠিক আছে। কিন্তু এয়াও বহুত বেছি হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - উক্ত ৰোৱায়েতত পৰা ফিকাহ বিদ সকলে এয়া ধাৰণা কৰে যে তিনি ভাগৰ এভাগ ধনমালতকৈ বেছি অচিয়ত কৰিব নোৱাৰে। হজৰত মুছলেহ মাওউদ (ৰাঃ)য়ে এই বিষয়ে বৰ্ণনা কৰিছে যে আহাদীছেও এই কথাৰ সাক্ষ্য বহন কৰে যে নিজৰ খৰচ হিচাপ কৰি বাকী সকলো ধন-মাল ছদকা কৰা ইছলামী আদেশ নহয়। গতিকে ৰছুল্লাহ (ছাঃ)য়ে কৈছে যে - তোমালোকৰ কিছুমানে নিজৰ সকলো ধন-মাল ছদকাৰ বাবে লৈ আনে। পিছত আকৌ পৰমুখাপেখি হৈ লোকৰ আগত হাত পাতিব লগা হয়। ছদকা কেৱল উপৰিঞ্চি মালৰ পৰাহে হয়। এনেদৰে আৰু কৈছে যে - যদি তোমালোকে নিজৰ উত্তৰাধিকাৰীক সা-সম্পত্তি দি থৈ যোৱা, সেয়া বেছি উত্তম। ইয়াৰ তুলনাত বেয়া হ'ল উত্তৰধিকাৰীক দৰিদ্ৰতাৰ কবলত এৰি গৈ সিহঁতক লোকৰ আগত হাত পাতিবলৈ বাধ্য কৰা। গতিকে এই বিষয়ে ইছলামৰ নিৰ্দেশ হ'ল - যিবোৰ ধন-সম্পদ প্ৰয়োজনতকৈ অধিক আছে, সেয়া বিতৰণ কৰি দিয়া উচিত। নিজৰ সম্পৰ্ণ সা-সম্পত্তি ছদকা কৰাটো ইছলাম বিৰুদ্ধ আৰু চাহাবা সকল আমল বিৰুদ্ধ কাৰণ চাহাবা সকলৰ আমল এনেকুৱা আছিল যে তেওঁলোকৰ কিছুমানৰ মৃত্যুৰ পিছত লাখ লাখ টকাৰ সম্পত্তি তেওঁলোকৰ উত্তৰাধিকাৰীৰ মাজত বিতৰণ কৰি দিয়া হৈছিল।

হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে যেতিয়া মই মক্কাত বেমাৰত পৰিছিলো তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে মোক দেখিবলৈ আহিছিল। আন এটা ৰোৱায়েতত উল্লেখ আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে মক্কাৰ এজন ব্যক্তিক বিশেষ ভাৱে নিযুক্ত কৰিছিল যে তেওঁ যেন হজৰত ছাআদক ৰক্ষণা-বেক্ষণ কৰে। ৰছুলুল্লাহ (ছাঃ)য়ে লোক জনক নিৰ্দেশ দিছিল যে যদি হজৰত ছাআদে মক্কাত মৃত্যুবৰণ কৰে তেন্তে তাক যেন মক্কাত সমাধিস্থ কৰা নহয় বৰং মদিনালৈ লৈ অনা হয় আৰু মদিনাত যেন দফন কৰা হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ য়ে বৰ্ণনা কৰিছে যে - হজৰত উমৰ (ৰাঃ)ৰ খিলাফত কালত যেতিয়া খচৰু পৰবেজৰ নাতি (ইয়াজিদগৰ্ড) সিংহাসনত অধিষ্ঠিত হোৱাৰ পিছত ইৰাকত মুছলমান সকলৰ বিৰুদ্ধে এক বিশাল পৰিকল্পনাৰে সৈতে ৰণ প্ৰশিক্ষণ আৰম্ভ কৰা হৈছিল। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে তেওঁলোকৰ বিৰুদ্ধে হজৰত ছাআদ বিন আবি উকাচৰ নেতৃত্বত এটা সৈন্য দল পঠিয়াইছিল আৰু আদেশ দিছিল যে ইৰাণৰ বাদছাহৰ সৈতে যুদ্ধ সংগঠিত কৰাৰ আগতে তোমালোকৰ বাবে ফৰজ হব যে তোমালোকৰ ফালৰ এজন প্ৰতিনিধি ইৰাণৰ বাদছাহৰ দৰবাৰলৈ পঠাই দিবা আৰু তাক ইছলাম গ্ৰহন কৰি লববলৈ আমন্ত্ৰণ জনাবা। গতিকে এওঁলোকে এই নিৰ্দেশ অনুযায়ী এটা সৰু প্ৰতিনিধি দলক ইয়াজিদগৰ্ডৰ সাক্ষাৎৰ বাবে পঠাই দিছিল। যেতিয়া এই দলটো গৈ ইৰাণৰ বাদছাহৰ দৰবাৰত উপস্থিত হৈছিল তেতিয়া দলনেতা হজৰত নুমান বিন মাকৰুনে হজৰত ৰছুলে কৰিম (ছাঃ)ৰ আবিৰ্ভাৱৰ কথা উল্লেখ কৰি কৈছিল যে - তেখেত (ছাঃ)য়ে আমাক আদেশ দিছে যে - আমি যেন ইছলাম ইছলাম প্ৰচাৰ কৰোঁ আৰু জগতৰ সকলো লোকক সত্য দ্বীনত যোগদান কৰিবলৈ আমন্ত্ৰণ জনাওঁ। এই আদেশ অনুযায়ী আমি আহি আপোনাৰ দৰবাৰত উপস্থিত হৈছোঁহি আৰু

আপোনাক ইছলাম গ্ৰহনৰ আমন্ত্ৰণ জনাইছো। এই কথা শুনি ইৰাণ বাদছাহ ইয়াজিদগৰ্ড ক্ৰোধান্বিত হৈ উঠিছিল আৰু এজন চাকৰক আদেশ দিছিল যে - যোৱা মাটিৰ এটা বস্তা লৈ আহা। যেতিয়া সেই মাটিৰে ভৰ্তি বস্তা লৈ অনা হৈছিল তেতিয়া শ্বাহে ইৰানে ইছলামী দলটোৰ নায়কক আগলৈ মাতি আনিছিল আৰু কৈছিল যে এই মাটিৰ বস্তাৰ বাহিৰে তোমালোকে আৰু একোকে নোপোৱা। তেতিয়া চাহাবীজনে নম্ৰতাৰে আগুৱাই গৈ বাদছাহৰ আগত সন্মানেৰে মূৰ দোৱায় আৰু সেই মাটিৰ বস্তাটো নিজৰ পিঠিত তুলি লৈ বেগেৰে জপিয়াই দৰবাৰৰ বাহিৰত আহি থিয় হৈছিল আৰু লগৰীয়া সকলক উচ্চস্বৰে কৈছিল - আজি শ্বাহে ইৰান নিজ হাতেৰে নিজ দেশৰ জমিন আমাৰ হস্তাধীন কৰি দিছে। ইয়াৰ পিছত চাহাবাৰ দলটোৱে ঘোঁৰাত উঠি বেগেৰে তাৰ প্ৰস্থান কৰিছিল। ইৰানৰ সম্ৰাটে যেতিয়া চাহাবা সকলৰ এই ধ্বনি শুনিবলৈ পাইছিল তেওঁ সিংহাসনতে কপি উঠিছিল আৰু তৎক্ষণাত নিজৰ দৰবাৰী সকলক আদেশ দিছিল যে দৌৰি যোৱা আৰু মাটিৰ বস্তা সিহঁতৰ ওভাতাই লৈ অনা, এয়া বৰ অশুভ কাম হৈ গৈছে যে মই নিজ হাতেৰে নিজৰ দেশৰ মাটি তেওঁলোকৰ হাতত ন্যাস্ত কৰিছো। কিন্তু চাহাবা সকলে সেই সময়ত দেৰিলৈকে ঘোঁৰাত আৰোহন কৰি বহুদূৰ পাইছিলগৈ। কিন্তু অৱশেষত সেয়াই হৈছিল, যি তেওঁলোকে কৈছিল আৰু কেইটামান বছৰৰ ভিতৰতেই গোটা ইৰান মুছ্লমানৰ অধীনস্থ হৈ পৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - এনেকুৱা মহা জাগৰণ মুছলমান সকলৰ মাজত কিয় জন্ম লৈছিল ? ইয়াৰ উত্তৰত কব লাগিব যে কোৰ-আনী শিক্ষাৰ প্ৰেৰনায় তেওঁলোকৰ চৰিত্ৰ আৰু অভ্যাসৰ মাজত এটা নৱজাগৰণৰ সৃষ্টি কৰিছিল। তেওঁলোকৰ দৈহিক জীৱনৰ ওপৰত এই শিক্ষায় এক আত্মা বলিদানৰ অনুপ্ৰেৰণা প্ৰৱল কৰি তুলিছিল আৰু তেওঁলোকক উচ্চ কাৰ্য্যক্ৰমনিকা আৰু উচ্চ মৰ্যদা সম্পন্ন চৰিত্ৰ গঠনৰ বাবে থিয় কৰাই দিছিল। ইয়াৰ ফল স্বৰূপেই সেই লোক সকলে জগতত ইছলাম প্ৰচাৰক হৈ থিয় হব পাৰিছিল আৰু ইছলামী শিক্ষা অনুধাৱনা আৰু আমল কৰি বেলেগক প্ৰকৃত মুছলমান বনাওঁতা হৈছিল। কোনো শক্তিৰ ভয় আৰু বিপদে তেওঁলোকক ভীতিগ্ৰস্থ কৰিব পৰা নাছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত ছাআদ (ৰাঃ)ৰ বিষয়ে থকা বাকী ঘটনাৱলী ইনশা আল্লাহ আগলৈ বৰ্ণনা কৰা হব।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মকৰমা বুশৰা আক্ৰম চাহিবা পত্নী মহম্মদ আক্ৰম বাজওয়া চাহাব আৰু মকৰম ইকবাল আহমদ চাহাব, মকৰম গোলাম ফাতিমা ফেহমিদা চাহিবা, মকৰম মহম্মদ আহমদ চাহাব, (হায়দৰাবাদী) লগতে মকৰম ছেলিম হুছেন আলযাবী চাহাব (ছিৰিয়া) আদি সকলোৰে চমু জীৱনী আলোচনা কৰি নমাজে জানাজা গায়েব পঢ়া হব বুলি ঘোষনা কৰে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। (আমিন)

**Assamese Khulasa Khutba Jumma Huzoor Anwar 24 JULY . 2020**

**(BOOK POST PARINTED MATTER)**

| | |
|---|---|
| **To** | ------------------------------------------------------------------------ |
| | ------------------------------------------------------------------------ |
| | **From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844** |